**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 18-11-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। সান্ধ্য আইনৰ কবলত থকা মণিপুৰৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত।

২। ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত ৰাজ্যখনলৈ সশস্ত্ৰ বাহিনীৰ অতিৰিক্ত ৫০টা বেটেলিয়ন প্ৰেৰণৰ সিদ্ধান্ত।

৩। ডবকাৰ পৰা লাহৰীজানলৈ নিৰ্মাণ কৰি থকা ফৰলেন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কাম ২০২৫ৰ জুনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰী বীৰেন্দ্ৰ কুমাৰৰ নিৰ্দেশ।

৪। ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰত অহা ২০ নৱেম্বৰত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি। **আৰু**

৫। ওমানত হ'বলগীয়া জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ বাবে ভাৰতীয় জুনিয়ৰ হকী দলটো ঘোষণা। ০০০০০০০

সান্ধ্য আইনৰ কৱলত থকা মণিপুৰৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে যদিও ভিতৰি ভিতৰি উত্তেজনা অব্যাহত আছে। যোৱা সপ্তাহত উগ্ৰপন্থীয়ে অপহৰণ কৰা ছজন লোকৰ পাঁচজনৰ মৃতদেহ উদ্ধাৰৰ পাছত জিৰিবামত কালি ব্যাপক প্ৰতিবাদৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিৰাপত্তা বাহিনীয়ে গুলীচালনা কৰাত এজন প্ৰতিবাদকাৰী আহত হয়। নিশাৰ ভাগত সশস্ত্ৰ দুষ্কৃতিকাৰীয়ে জিৰিবামৰ কংগ্ৰেছ আৰু বিজেপি দুয়ো দলৰে জিলা কাৰ্যালয় দুটাত অগ্নি সংযোগ কৰে।

মণিপুৰত বাহৰ পাতি থকা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান অনিছ দয়াল সিঙে আজি ইম্ফলত আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ মুৰববীসকলৰ সৈতে পৰিস্থিতিৰ পৰ্যালোচনা কৰে।

মণিপুৰৰ সাম্প্ৰতিক উত্তেজনাময় পৰিস্থিতিৰ প্ৰভাৱ ৰাজ্যখনৰ ৰাজনীতিতো পৰিলক্ষিত হৈছে। আজি জিৰিবামৰ বিজেপিৰ জিলা পৰ্যায়ৰ ৮ গৰাকী বিষয়ববীয়াই দল ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে।

এন বীৰেন সিং নেতৃত্বাধীন চৰকাৰখনৰ প্ৰতি কনৰাড চাংমা নেতৃত্বাধীন এন পি পিৰ ৭জন বিধায়কে সমৰ্থন প্ৰত্যাহাৰ কৰাৰ কথা কালি ঘোষণা কৰিছে। ইপিনে, চৰকাৰখনলৈ নিঃচৰ্ত সমৰ্থন আগবঢ়াই থকা নাগা পিপ'ল্‌ছ ফ্ৰণ্টে ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিত তেওঁলোকে চৰকাৰলৈ আগবঢ়োৱা সমৰ্থন কোনোপধ্যে প্ৰত্যাহাৰ নকৰে বুলি স্পষ্ট কৰি দিছে। আজি বিয়লি ইম্ফলত আয়োজিত এখন সংবাদমেলত ৰাজ্যিক এন পি এফ নেতৃত্বই কয়, যে মণিপুৰৰ পৰিস্থিতিৰ বাবে কেৱল চৰকাৰেই দায়ী নহয়, ইয়াৰ সৈতে ভালেকেইটা তৃতীয় পক্ষ জড়িত আছে।

ৰাজ্য বিধানসভাত নিজাববীয়াকৈ ৩২ গৰাকী বিধায়কৰ সমৰ্থন লাভ কৰি থকা এন বীৰেণ সিং চৰকাৰৰ প্ৰতি এতিয়াই কোনো ভাবুকি অহা নাই যদিও পৰৱৰ্তী কেইদিনমানত দলৰ ভিতৰতে নেতৃত্ব পৰিৱৰ্তনৰ দাবী অধিক শক্তিশালী হৈ উঠাৰ সম্ভাৱনা আছে বুলি ৰাজনৈতিক পৰ্যবেক্ষকসকলে ধাৰণা কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত মণিপুৰৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত গৃহ মন্ত্ৰালয়ৰ উচ্চপদস্থ বিষয়াবৰ্গৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত গৃহ মন্ত্ৰীগৰাকীয়ে মণিপুৰৰ শেহতীয়া পৰিস্থিতিৰ পৰ্যালোচনা কৰি ৰাজ্যখনৰ সুস্থিৰতা আৰু জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। একেৰাহে দ্বিতীয় দিনৰ বাবে মণিপুৰৰ পৰিস্থিতি পৰ্যালোচনা কৰা গৃহমন্ত্ৰীগৰাকীয়ে আজিৰ বৈঠকতে ৰাজ্যখনলৈ কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ অতিৰিক্ত ৫০ টা বেটেলিয়ন প্ৰেৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে মণিপুৰৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে কেইদিনমান পূৰ্বে ৰাজ্যখনলৈ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ২০ টা কোম্পানী প্ৰেৰণ কৰিছিল।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে যোৱা পযেকটোত মণিপুৰত সংঘটিত হিংসাত্মক ঘটনাৰ তিনিটা গোচৰ অনুসন্ধানৰ বাবে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা - এন আই এক দায়িত্ব দিয়া হৈছে।

০০০০০০০–

সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা চমুকৈ এ আই ইউ ডি এফৰ সভাপতি তথা প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমলে আজি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহলৈ মণিপুৰৰ হিংসাত্মক পৰিস্থিতি অন্ত পেলোৱাৰ ক্ষেত্ৰত হস্তক্ষেপ বিচাৰি পৃথকে পৃথকে একোখনকৈ পত্ৰ প্ৰেৰণ কৰে। পত্ৰখনত তেওঁ মণিপুৰত চলি থকা হিংসা আৰু অশান্তি সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে। লগতে মণিপুৰ চৰকাৰ আৰু বিষয়ববীয়াসকলক হিংসা ৰোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে জবাবদিহি কৰিবলৈ প্ৰধানমন্ত্ৰী তথা গৃহমন্ত্ৰীক আহ্বান জনাইছে। ভাৰত চৰকাৰে মণিপুৰত শান্তি আৰু ন্যায় পুনৰুদ্ধাৰৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব বুলি বদৰুদ্দিন আজমলে পত্ৰখনত আশা ব্যক্ত কৰে।

০০০০০০

বাংলাদেশৰ আন্তৰ্জাতিক অপৰাধ ন্যায়াধীকৰণে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাচিনা আৰু আন ৪৫ গৰাকী ব্যক্তিৰ বিৰুদ্ধে ৰুজু কৰা দুটা গোচৰ সন্দৰ্ভত এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। বৈষম্য বিৰোধী ছাত্ৰ আন্দোলনৰ সময়ছোৱাত গণহত্যাত জড়িত থকা আৰু মানৱতা বিৰোধী কাৰ্যকলাপৰ অভিযোগ সন্দৰ্ভত ন্যায়াধীশ গোলাম মৰ্তুজা মজুমদাৰে দেশখনৰ তদন্তকাৰী সংস্থাক এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিয়াৰ লগতে বৰ্তমান দেশ এৰি পলায়ন কৰা শ্বেখ হাছিনাকে ধৰি আন সকলো অভিযুক্ত সন্দৰ্ভত আদালতত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ আগতে আজি পুৱাৰ ভাগত পূৰ্বৰ আৱামী লীগ চৰকাৰৰ ৯গৰাকী মন্ত্ৰীসহ ১৩ গৰাকী অভিযুক্তক বৈষম্য বিৰোধী আন্দোলনৰ সময়ছোৱাত হত্যাকাণ্ডত জড়িত থকাৰ অভিযোগ সম্পৰ্কীয় গোচৰত আদালতত হাজিৰ কৰোৱা হয়।

০০০০০০০

কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী বীৰেন্দ্ৰ কুমাৰে আজি ডিফু আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু ডিমাপুৰ পথত থকা ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ কাৰ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে হোজাই জিলাৰ ডবকাৰ পৰা ডিফুৰ লাহৰীজানলৈ নিৰ্মাণ কৰি থকা ফৰলেন ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণৰ কাম ২০২৫ৰ জুন মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্মাণৰত নিয়োজিত প্ৰতিষ্ঠানক নিৰ্দেশ দিয়ে। তিনিদিনীয়া সূচীৰে ডিফু ভ্ৰমণ কৰি জিলাখনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ ৰূপায়ণৰ বুজ ল'বলৈ অহা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি ভ্ৰমণ সামৰি দিল্লীমুখে ৰাওনা হয়।

০০০০০০

ঝাৰখণ্ড বিধানসভাৰ দ্বিতীয় পৰ্য্যায়ৰ আৰু মহাৰাষ্ট্ৰ বিধানসভাৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি পৰে। ঝাৰখণ্ডত পৰহিলৈ ৩৮ টা সমষ্টিৰ কাৰণে দ্বিতীয় পৰ্য্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্য্যায়ৰ বাবে এন ডি এ আৰু ইণ্ডি মিত্ৰজোটৰ নেতাসকলে ভোটদাতা ৰাইজৰ মন আকৰ্ষণ কৰাৰ উদ্দেশ্যে ডেৰশৰো অধিক নিৰ্বাচনী ৰেলীত অংশগ্ৰহণ কৰে। এন ডি এৰ নেতাসকলে বাংলাদেশী অনুপ্ৰৱেশৰ লগতে হেমন্ত চোৰেণ নেতৃত্বাধীন চৰকাৰৰ অধীনত হোৱা দুৰ্নীতি, নিবনুৱা সমস্যা আৰু নগদ ধন প্ৰদান আঁচনি আদি বিষয় লৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হয়। ইপিনে, ইণ্ডি মিত্ৰজোটে মহিলাসকলৰ বাবে নগদ ধনৰ গেৰাণ্টি, যুৱক-যুৱতীসকলৰ বাবে কৰ্ম-সংস্থাপন, ঝাৰখণ্ডৰ প্ৰতি কেন্দ্ৰৰ বৈষম্যমূলক দৃষ্টিভংগী আৰু পৰ্য্যাপ্ত পুঁজিৰ আবণ্টন নিদিয়া আদিক প্ৰচাৰ অভিযানৰ মুখ্য বিষয় হিচাপে প্ৰাধান্য দিয়া দেখা গৈছিল।

মহাৰাষ্ট্ৰ বিধানসভাৰ ২৮৮ খন আসনৰ বাবে হ'বলগীয়া নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি তুংগত উঠে। প্ৰধানমন্ত্ৰী তথা এন ডি এৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীকে ধৰি শাসনাধিষ্ঠিত মহাজোট আৰু উদ্ধৱ থাকৰে নেতৃত্বাধীন মহাবিকাশ জোটৰ নেতাসকলে নিজ নিজ প্ৰাৰ্থীক জয়ী কৰোৱাৰ বাবে ভালেসংখ্যক সভা আৰু নিৰ্বাচনী শোভাযাত্ৰাত অংশগ্ৰহণ কৰে।

০০০০০০০

অৰণ্য মানৱ, পদ্মশ্ৰী যাদৱ পায়েঙৰ জীৱন আৰু কৃতিক লৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ ঔষধি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডাঃ নৰোত্তম সোণোৱালে ৰচনা কৰা 'মোলাই কাঠনিৰ মানুহজন' গ্ৰন্থৰ ইংৰাজী অনুবাদ 'The Man of the Forest Molai' গ্ৰন্থখন কালি যোৰহাট প্ৰেছ ক্লাবত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ড° প্ৰশান্ত পূজাৰীয়ে অনুবাদ কৰা এই

গ্ৰন্থ উন্মোচনী সভাত অৰণ্য মানৱ যাদৱ পায়েং নিজেও উপস্থিত থাকি পৰিৱেশ বিষয়ক মনোজ্ঞ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত লেখক গোবিন কুমাৰ খাউণ্ড আৰু শিক্ষাবিদ বিনীতা দত্তইও অংশগ্ৰহণ কৰে।

০০০০০০০

বাক্সা জিলাৰ হুদুখাটাত কালি এটা অভ্যৰ্থনা অনুষ্ঠানৰ খাদ্য খোৱাৰ পাছত বিষক্ৰিয়া হৈ ২২টি শিশু অসুস্থ হৈ পৰে। গাঁওখনৰ এজন লোকৰ ঘৰত দুপৰীয়া ভাত খোৱাৰ পাছত এই শিশুসকলৰ বমি আৰু পায়খানা হ'বলৈ ধৰে। গাঁওবাসীয়ে তেওঁলোকক শালবাৰী আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰোৱায়। বৰ্তমান শিশুকেইটি বিপদমুক্ত বুলি চিকিৎসকে ঘোষণা কৰিছে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

যোৰহাটৰ বাহনা মহাবিদ্যালয়ৰ কলা ভৱনত অনুষ্ঠিত এখন গাম্ভীৰ্যপূৰ্ণ সভাত মমী বৰাৰ **দুবৰীত দেৱদাৰুৰ ছাঁ** নামৰ উপন্যাসখন উন্মোচন কৰা হয়। অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ প্ৰসন্ন কুমাৰ দত্তই গ্ৰন্থখন উন্মোচন কৰে। বাহনা মহাবিদ্যালয়ৰ পটভূমিত ৰচিত উপন্যাসখনৰ উন্মোচনী সভাত মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে কেইবাগৰাকী অধ্যাপক-অধ্যাপিকা তথা লেখক-লেখিকা উপস্থিত থাকে।

০০০০০০

মৃত্যুঞ্জয় ১০৮ এম্বুলেন্স সেৱাই ৰাজ্যত ১৭ বছৰ অতিক্ৰম কৰিলে। ৰোগীৰ জৰুৰীকালীন অৱস্থাত পূৰ্ণ সহায়ৰ লক্ষ্যৰে ১০৮ এম্বুলেন্স সেৱাই এতিয়ালৈ ৬৬ লাখৰো অধিক জৰুৰীকালীন সেৱা আগবঢ়োৱাৰ লগতে ২ লাখৰো অধিক ৰোগীৰ প্ৰাণ ৰক্ষা কৰাত সফল সহযোগিতা আগবঢ়াইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মৃত্যুঞ্জয় সেৱাৰ ১৭ বছৰ সম্পূৰ্ণ হোৱাৰ কথা উল্লেখ কৰি ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ উত্তোৰণৰ ক্ষেত্ৰত জনসাধাৰণৰ সঁহাৰিৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখযোগে যে ৰাজ্যত সম্প্ৰতি ৭ খন পানীত চলা এম্বুলেন্সসহ ৮০০ৰো অধিক এম্বুলেন্স সেৱাই আগবঢ়াই আছে।

০০০০০০

কৰিমগঞ্জ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত নৱজাতকৰ সুৰক্ষা আৰু শিশু নিউমোনিয়া প্ৰতিৰোধ সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে জিলাখনৰ চহৰত আজি সজাগতা সমদল উলিওৱা হয়। কৰিমগঞ্জ অসামৰিক চিকিৎসালয়ত আৰম্ভ হোৱা সমদল কৰিমগঞ্জ চহৰৰ বিভিন্ন পথৰে আগবাঢ়ে। সমদলত এ এন এম আৰু আশাকৰ্মীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি নৱজাতকৰ যত্ন, সময়মতে প্ৰতিষেধক প্ৰদান, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু নিউমোনিয়া প্ৰতিৰোধৰ বাবে পুষ্টিৰ গুৰুত্বৰ বিষয়ে প্লে-কাৰ্ড লৈ প্ৰচাৰ কৰে। সমদলৰ পূৰ্বে অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ মতিন্দ্ৰ সূত্ৰধৰে কয়, যে নৱজাতক আৰু শিশুৰ স্বাস্থ্য আমাৰ সদায় অগ্ৰাধিকাৰ। উল্লেখযোগ্য যে নৱজাতক সুৰক্ষা সপ্তাহ কাৰ্যসূচীৰ জৰিয়তে স্বাস্থ্য বিভাগে শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ লগতে জীৱন ৰক্ষাকাৰী যত্নৰ প্ৰয়োজনীয়তাৰ বিষয়ে সৰ্বসাধাৰণক লোকক সজাগ কৰি আহিছে।

০০০০০০

নগাঁৱত থকা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি সপ্তম প্ৰাকৃতিক চিকিৎসা দিৱস পালন কৰা হয়। ৰাষ্ট্ৰীয় আয়োগ মিছনৰ উদ্যোগ তথা বিশ্ববিদ্যালয়খনৰ যোগ বিজ্ঞান আৰু প্ৰাকৃতিক চিকিৎসা বিভাগৰ সহযোগিতাত এই দিৱস আয়োজন কৰা হয়। অনুষ্ঠানটোত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য, অধ্যাপক মৃদুল হাজৰিকা, আয়ুষ গুৱাহাটী যুটীয়া সঞ্চালক ডাঃ শশী সোণোৱাল, আয়ুষ গুৱাহাটী উপ-সঞ্চালক ডাঃ নিবুল গগৈ, নগাঁও স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ ফণী পাঠকে প্ৰাকৃতিক চিকিৎসা

সন্দৰ্ভত ভাষণ প্ৰদান কৰে। কেইবাজনো বক্তাই এটা নিৰোগী সুস্থ-সবল স্বাস্থ্যৰ অধিকাৰী হ'বলৈ প্ৰকৃতিৰ গুৰুত্বৰ বিষয়ে তথ্য সমৃদ্ধ ব্যাখ্যা আগবঢ়ায়। সভাৰ শেষত বিশ্ববিদ্যালয়খনৰ গুৱাহাটী গোটৰ যোগ বিজ্ঞান আৰু প্ৰাকৃতিক চিকিৎসা বিভাগে যোগৰ গুৰুত্ব, থেৰাপীৰ প্ৰয়োজনীয়তা আদিৰ বিষয়ে আলোচনা কৰে।

০০০০০০

গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ব'হাগ বিহুৰ পূৰ্বে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰয়োজনীয় খচৰা ভোটাৰ তালিকা সাজু কৰি থকা হৈছে। ১৫ ডিচেম্বৰৰ পূৰ্বে এই ভোটাৰ তালিকা প্ৰস্তুত হৈ উঠিব।

০০০০০০

অসম আৰক্ষীৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদে অসম কমাণ্ড বেটেলিয়নৰ ১৬৪ টা কনিষ্টবল পদৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰসমূহ ১৮ নৱেম্বৰৰ পৰা উপলব্ধ হ'ব বুলি প্ৰকাশ কৰিছে। পৰিষদে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে www.slprbassam.in ৱেবছাইটযোগে নিজৰ প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। কনিষ্টবল পদসমূহৰ বাবে ২৫ নৱেম্বৰৰ পৰা শাৰীৰিক সক্ষমতা পৰীক্ষা অনুষ্ঠিত হ'ব বুলি আৰক্ষী নিযুক্তি পৰিষদৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০০

ওমানৰ মাছকটত অহা ২৬ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ বাবে ২০ জনীয়া দলটো ঘোষণা কৰা হৈছে। এই প্ৰতিযোগিতাৰ জৰিয়তে ২০২৫ চনত হ'বলগীয়া এফ আই এইচ হকী জুনিয়ৰ বিশ্বকাপৰ বাবে যোগ্যতা নিৰ্ণয় কৰা হ'ব। ভাৰতে এতিয়ালৈকে এই প্ৰতিযোগিতাত অভিলেখসংখ্যক ৪ বাৰ চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছে। এই প্ৰতিযোগিতাত ১০ খন ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিছে। ভাৰতৰ লগতে চীনা টাইপে, জাপান, কোৰিয়া আৰু থাইলেণ্ডক পুল এ'ত অন্তৰ্ভুক্ত কৰাৰ লগতে বাংলাদেশ, মালয়েছিয়া, চীন ওমান আৰু পাকিস্তানক পুল বিত অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতীয় হকী দলটোক আমিৰ আলীয়ে নেতৃত্ব দিয়াৰ লগতে প্ৰিন্সদীপ সিং আৰু বিক্ৰমজিৎ সিঙক গ'লকীপাৰ হিচাপে দলটোত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজিত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ আজি বৰপেটা জিলাত আৰম্ভ হয়। বৰপেটা পৌৰসভাৰ খেলপথাৰত আয়োজিত খেল মহাৰণ প্ৰতিযোগিতা জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই উদ্বোধন কৰে। বৰপেটা জিলাত এইবাৰৰ খেল মহাৰণত ৩ লাখৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। বৰপেটা পৌৰসভাৰ খেলপথাৰত আজি এথলেটিকছ দবা আৰু কাবাডী খেল অনুষ্ঠিত হয়। আনহাতে পাটবাউসীত চাইকেল চলা প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। জিলা আয়ুক্তগৰাকীয়ে খেল মহাৰণ উদ্বোধন কৰি কয়, যে এই প্ৰতিযোগিতাই কেৱল খেলুৱৈসকলকে নহয় খেলৰ প্ৰতি নতুন চামৰ আকৰ্ষণো বৃদ্ধি কৰিছে। প্ৰথম পৰ্যায়ৰ খেল মহাৰণৰ পাছত আকৰ্ষণ বৃদ্ধি হোৱা দেখা গৈছে।

০০০০০০

মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ আঁচনিৰ বিষয়ে জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টিৰ উদ্দেশ্যে চৰাইদেউৰ ভজো ৰাজহুৱা প্ৰেক্ষাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সোণাৰী ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ উদ্যোগত অনুষ্ঠিত সভাখনত চৰাইদেউৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱে সভাত উপস্থিত লোকসকলক মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ আঁচনিৰ বিষয়ে পুংখানুপুংখভাৱে বুজাই দিয়ে। লগতে এই আঁচনিখনৰ জৰিয়তে আগবঢ়োৱা সেৱাসমূহ লাভৰ বাবে অহা ৩১ ডিচেম্বৰৰ পূৰ্বে আবেদন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে এই আঁচনিৰ সেৱাসমূহ লাভৰ বাবে আবেদন কৰিবলৈ নথি-পত্ৰসহ স্থানীয় সমূহীয়া সেৱা কেন্দ্ৰ বা ৰাজহুৱা সুবিধা কেন্দ্ৰসমূহলৈ যাবলৈ পৰামৰ্শ দিয়ে। সভাত অতিৰিক্ত জিলা আয়ুক্ত শ্ৰাৱণা সোণোৱাল, সোণাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষযা নম্ৰতা দাসো উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**